# অৱতৰণিকা

**০.১ গৱেষণাৰ ক্ষেত্ৰ আৰু অধিবাসী ঃ**

অসমৰ অন্যান্য জনগোষ্ঠীসমূহৰ ভিতৰত শৰণীয়া-কছাৰীসকল এটি অন্যতম প্ৰধান জনজাতীয় জনগোষ্ঠী। ইতিহাসৰ পাতত শৰণীয়া-কছাৰীসকলক মংগোলীয় গোষ্ঠীৰ লোক হিচাপে স্বীকৃতি দিয়া হৈছে।

> “কিৰাত বা কছাৰী মূলৰ পৰা সৃষ্টি হোৱা জনগোষ্ঠী সমূহ হ’ল বড়ো, ৰাভা, ডিমাচা, শৰণীয়া, সোণোৱাল, ঠেঙাল, হাজং, মেচ, কোচ-ৰাজবংশী, লালুং, মটক আদি। ঐতিহাসিকসকলে কছাৰী মূলীয় এইসকল লোকক মংগোলীয় বুলিও চিনাক্ত কৰিছে।”[২]

শৰণীয়া-কছাৰী গোষ্ঠীৰ লোকসকল যদিও সমগ্ৰ অসমতে বিয়পি আছে, তথাপিও নামনি অসমত এক বৃহৎ পৰিমাণৰ শৰণীয়া-কছাৰী লোকে বাস কৰি আহিছে। উজনি অসমৰ দুই এখন জিলাত ছেগাচোৰোকাকৈহে দুই এটি শৰণীয়া পৰিয়াল আছে। কিন্তু সৰহ সংখ্যক শৰণীয়া-কছাৰী লোক নামনি অসমৰ দৰং, ওদালগুৰি, বাক্সা, গোৰেশ্বৰ, তেজপুৰ, বঙাইগাঁও, বৰপেটা আদি ঠাইত আছে। সেয়েহে আমাৰ এই  প্ৰস্তাৱিত ক্ষেত্ৰৰূপে নামনি অসমৰ শৰণীয়া অধ্যুষিত বিভিন্ন অঞ্চলসমূহকে সামৰি লোৱা হৈছে।

গৱেষণা ক্ষেত্ৰ হিচাপে নিৰ্বাচন কৰা উক্ত শৰণীয়া অধ্যুষিত অঞ্চলসমূহত শৰণীয়া-কছাৰী লোকৰ উপৰিও বড়ো, ৰাজবংশী, নাথ, কলিতা, মিঞা, পাটোৱাৰী, ব্ৰাহ্মণ আদি জনগোষ্ঠীৰ লোকে বাস কৰি আহিছে। শৰণীয়া-কছাৰী অধ্যুষিত বাক্সা জিলাত অতি কমেও ৩০০ খন গাঁও, ওদালগুৰি জিলাত ১৫০ খন, দৰং জিলাত ১৫ খন, অবিভক্ত নলবাৰী জিলাত ৩০ খন মান, বৰপেটা, বঙাইগাঁও আদিত ১৫ খন, ধেমাজী জিলাত ৫ খন মান গাঁও আছে। সামগ্ৰিক হিচাপত সমগ্ৰ অসমত ৫০০ তকৈ অধিক শৰণীয়-কছাৰী গাঁও আছে।

---

২। মহলীয়া, ধীৰেন (সংকলক) ঃ *শৰণীয়া কছাৰী জনগোষ্ঠীৰ ৰূপৰেখা*, পৃ. - ১১

অধিবাসীসকলৰ কমসংখ্যক লোকে চাকৰি, ব্যৱসায়-বাণিজ্য আদিৰ লগত জড়িত যদিও অধিক সংখ্যক লোকে কৃষিৰ লগত জড়িত। তদুপৰি দুই-এঘৰৰ বাহিৰে তেওঁলোকৰ আৰ্থিক অৱস্থা সম্পূৰ্ণ স্বচ্ছল বুলি ক'ব নোৱাৰি। যাতায়ত-যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰটো উক্ত অঞ্চলসমূহ অধিক উন্নত নহয়। অৱশ্যে চৰকাৰী ব্যৱস্থাই ঢুকি পোৱা ঠাইসমূহ আগতকৈ উন্নত হৈছে।

## ০.২ গৱেষণাৰ বিষয় আৰু পৰিসীমা ঃ

শৰণীয়া-কছাৰীসকলে যদিও অসমীয়া ভাষাকে নিজৰ মাতৃভাষা হিচাপে আৰু অসমীয়া সংস্কৃতিকে নিজৰ সংস্কৃতি বুলি আকোৱালী লৈছে, তথাপিও তাৰ মাজত স্বকীয়তা বিদ্যমান। তেওঁলোকৰ এই স্বকীয়তাই শৰণীয়া-কছাৰী জনগোষ্ঠীটোক এটা সুকীয়া জনজাতি হিচাপে চিনাকি দিয়াত সহায় কৰিছে। তেওঁলোকৰ এই স্বকীয়তাখিনি আনৰ আগত দাঙি ধৰাৰ উদ্দেশ্যে গৱেষণাৰ বিষয় হিচাপে নিৰ্বাচন কৰি লোৱা হৈছে "শৰণীয়া-কছাৰীসকলৰ ভাষা আৰু সংস্কৃতি ঃ এটি অধ্যয়ন" শীৰ্ষক বিষয়টি। শৰণীয়া-কছাৰীসকলে যদিও মান্য অসমীয়া ভাষাত মনৰ ভাৱ আদান-প্ৰদান কৰে তথাপিও তাৰ মাজত তেওঁলোকৰ জনজাতীয় ভাষাৰ সুৰ সুস্পষ্ট। সেয়েহে স্বকীয়তা বিচাৰি তেওঁলোকে কোৱা অসমীয়া ভাষাটোৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু শব্দসম্ভাৰক গৱেষণাৰ বিষয় হিচাপে সামৰিব বিচৰা হৈছে। সেইদৰে শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত বিভিন্ন লোক উৎসৱ, লোকগীত, লোকনৃত্য তথা লোকাচাৰসমূহকো আমাৰ অধ্যয়নত সামৰিবলৈ চেষ্টা কৰা হৈছে। গৱেষণা কৰ্মৰ অধ্যয়নৰ পৰিসৰ যিহেতু শৰণীয়া-কছাৰী অধ্যুষিত অঞ্চল, সেয়েহে এই অঞ্চলসমূহৰ লোকসংস্কৃতি আৰু কথিত অসমীয়া ভাষাকহে গৱেষণা কৰ্মৰ পৰিসৰে সামৰিব।

## ০.৩ গৱেষণাৰ গুৰুত্ব ঃ

শৰণীয়া-কছাৰীসকলৰ ভাষা আৰু সংস্কৃতি সম্বন্ধে আজিলৈ গৱেষণাধৰ্মী গ্ৰন্থ ৰচিত হোৱা নাই। অৱশ্যে তেওঁলোকৰ ভাষা আৰু সংস্কৃতি সম্পৰ্কে বিভিন্ন প্ৰবন্ধ আছে। যিহেতু কোনো এটি বিষয়ৰ বিজ্ঞানসন্মত গৱেষণাইহে বিষয়টোক সঠিক ৰূপত আগবঢ়াই নিয়াত সহায় কৰে, সেয়ে গৱেষণাৰ বিষয় হিচাপে শৰণীয়া-কছাৰীসকলৰ ভাষা-সংস্কৃতি বিষয়টো বাছি লোৱা হৈছে।

**০.৪ গৱেষণাৰ উদ্দেশ্য ঃ**

শৰণীয়া-কছাৰী সম্পৰ্কে এতিয়ালৈকে বিভিন্ন জন পণ্ডিত, গৱেষকে বিভিন্ন গ্ৰন্থ, প্ৰৱন্ধ, আলোচনী আদিৰ জৰিয়তে বিভিন্ন আলোচনা আগবঢ়াইছে যদিও সেয়া বিজ্ঞানসন্মত নহয়। কছাৰী গোষ্ঠীৰ অন্তৰ্গত আন-আন জনগোষ্ঠী, যেনে- বড়ো, ৰাভা, ডিমাচা, কাৰ্বি, তিৱা আদি জনজাতীয় জনগোষ্ঠীসকলে যেনেদৰে সাহিত্য, সংস্কৃতি, ভাষা আদিৰ ক্ষেত্ৰত আনক চিনাকি দিব পাৰিছে, তেনেদৰে শৰণীয়া-কছাৰীসকলৰ ভাষা সংস্কৃতিয়ে এতিয়াও আন জনগোষ্ঠীৰ দৰে স্বকীয়তা লাভ কৰা নাই। তদুপৰি চৰকাৰৰ অমনোযোগিতা তথা শৰণীয়া-কছাৰীসকলে নিজে কিছু কিছু ক্ষেত্ৰত কৰা অৱহেলাৰ বাবে শৰণীয়া জনগোষ্ঠীটোৱে এতিয়ালৈকে সুকীয়া জনজাতি হিচাপে পৰিচয় লাভ কৰা নাই।

সেয়েহে জনজাতীয় জনগোষ্ঠীটোৰ ভাষা, সংস্কৃতি, সমাজ আদিৰ এটি পদ্ধতিগত অধ্যয়নৰ উদ্দেশ্য আগত ৰাখিয়েই এই বিষয়টি উপস্থাপন কৰিবলৈ বিচৰা হৈছে। তদুপৰি আমাৰ এই গৱেষণাধৰ্মী অধ্যয়নৰ জৰিয়তে শৰণীয়া-কছাৰীসকলৰ ভাষা আৰু সংস্কৃতি সন্দৰ্ভত এটি সঠিক বিশ্লেষণ হ'ব বুলি আশা কৰা হৈছে।

আমাৰ এই গৱেষণা কৰ্মৰ জৰিয়তে শৰণীয়া-কছাৰীসকলৰ মাজত থকা স্বকীয়তাসমূহ বাহিৰলৈ উলিয়াই অনাৰ সম্পূৰ্ণ প্ৰয়াস কৰা হৈছে। তেওঁলোকৰ মাজত থকা স্বকীয়তাসমূহৰ জৰিয়তেহে তেওঁলোকে সুকীয়া জনজাতি হিচাপে পৰিচয় দিব পাৰিব তথা বিদ্বৎ মহলেও শৰণীয়া গোষ্ঠী সন্দৰ্ভত অধিক তথ্য লাভ কৰিব। তাৰ কাৰণেই আমাৰ এই গৱেষণা কৰ্মৰ নিৰলস প্ৰচেষ্টা।

**০.৫ গৱেষণাৰ পদ্ধতি ঃ**

'শৰণীয়া-কছাৰীসকলৰ ভাষা আৰু সংস্কৃতি ঃ এটি অধ্যয়ন' শীৰ্ষক বিষয়টি অধ্যয়নৰ বাবে প্ৰধানকৈ বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে।

আলোচনাৰ সুবিধাৰ অৰ্থে শৰণীয়া-কছাৰীসকলৰ ভাষা আৰু সংস্কৃতিৰ বিভিন্ন বিষয়বোৰক বিভিন্ন অধ্যায়ত আৰু সৰু সৰু উপঅধ্যায়ত (Sub-Chapter) ভাগ কৰি লোৱা হৈছে। গৱেষণা বিষয়টোৰ অধ্যয়নৰ ক্ষেত্ৰত প্ৰধানকৈ দুটা উৎসৰ পৰা সমল সংগ্ৰহ কৰা হৈছে।

১। মুখ্য উৎস (Primary source)

২। গৌণ উৎস (Secondary source)

মুখ্য বা প্ৰাথমিক উৎস হিচাপে ক্ষেত্ৰ-অধ্যয়ন (Field Study) আৰু গৌণ উৎস হিচাপে বিভিন্ন

প্ৰাসংগিক গ্ৰন্থ, আলোচনী আদি অধ্যয়নৰ দ্বাৰা সমল সংগ্ৰহ কৰা হৈছে।

শৰণীয়া-কছাৰীসকলৰ ভাষা আৰু সংস্কৃতিৰ ব্যৱহাৰিক দিশৰ অধ্যয়নৰ ক্ষেত্ৰত বিশেষ ভাবে ক্ষেত্ৰ অধ্যয়নৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। কাৰণ বিষয়টো সন্দৰ্ভত লিখিত তথ্যপাতি পৰ্যাপ্ত নহয়। ক্ষেত্ৰ অধ্যয়নৰ বাবে শৰণীয়া-কছাৰী অধ্যুষিত অঞ্চল, যেনে- গোৰেশ্বৰ, বৰিমাখা, শইকীয়াপাৰা, দৰং, বাক্সা আদি বিভিন্ন ঠাইৰ বিভিন্ন গাঁওসমূহলৈ গৈ প্ৰত্যক্ষ আৰু পৰোক্ষ ভাবে কিছুমান ব্যক্তিক লগ ধৰি তেওঁলোকৰ পৰা প্ৰাসংগিক উদ্দেশ্যত কিছু প্ৰশ্নৰ অৱতাৰণা কৰি উত্তৰ বিচৰা হৈছে। বিশেষকৈ তেওঁলোকৰ মাজত প্ৰচলিত কথিত অসমীয়া ভাষা, মৌখিক গীত-মাত আদি সংগ্ৰহ কৰি আনি তাক পুনৰ পৰীক্ষা নিৰীক্ষা কৰি পুংখানুপুংখ ভাবে চালিজাৰি চোৱা হৈছে। ক্ষেত্ৰ অধ্যয়নৰ ক্ষেত্ৰত সাক্ষাৎকাৰ পদ্ধতিৰে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। তথ্যদাতা নিৰ্বাচন কৰি তেওঁলোকৰ পৰা সমল সংগ্ৰহ কৰি অনা হৈছে। এই ক্ষেত্ৰত কেইবাজনো অভিজ্ঞ তথা বিশিষ্ট ব্যক্তিক লগ ধৰাৰ উপৰিও সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সৈতে যোগাযোগ কৰিও তথ্য সংগ্ৰহ কৰা হৈছে। তথ্যদাতা হিচাপে পুৰুষ আৰু মহিলা উভয়কে লোৱা হৈছে।

প্ৰাসংগিক গ্ৰন্থসমূহৰ ভিতৰত শৰণীয়া-কছাৰীসকলৰ বিষয়ে বিভিন্নজন ব্যক্তিয়ে লিখা বিভিন্ন গ্ৰন্থৰ সহায় লোৱা হৈছে। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পুথিভঁৰাল, ট্ৰাইবেল ৰিচাৰ্চ ইনষ্টিটিউটৰ পুথিভঁৰাল, বৰভাগ মহাবিদ্যালয়ৰ পুথিভঁৰাল, ব্যক্তিগত পুথিভঁৰাল আদিৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে।

ক্ষেত্ৰ অধ্যয়নৰ ক্ষেত্ৰত টেপ ৰেকৰ্ডাৰ, মোবাইল, কেমেৰা আদি ব্যৱহাৰ কৰা হৈছে। গ্ৰন্থখন প্ৰস্তুত কৰোতে MLA Handbook for writers of Research paper (সপ্তম সংস্কৰণ) নামৰ গ্ৰন্থখনক আৰ্হি হিচাপে লোৱা হৈছে।

**০.৬ পূৰ্বকৃত অধ্যয়নৰ পৰিচয় ঃ**

শৰণীয়া-কছাৰীসকলৰ ভাষা আৰু সংস্কৃতি সন্দৰ্ভত পূৰ্ণাঙ্গ গৱেষণা গ্ৰন্থ ৰচিত হোৱা নাই। এই জনজাতীয় জনগোষ্ঠীটোৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে বহুতো মূল্যবান গ্ৰন্থ লিখি থৈ গৈছে। গ্ৰন্থৰ উপৰিও বিভিন্ন স্মৃতিগ্ৰন্থত শৰণীয়া গোষ্ঠীৰ বিভিন্ন তথ্য লিপিবদ্ধ হৈ আছে। শৰণীয়া-কছাৰীসকলৰ ভাষা আৰু সংস্কৃতি সম্বন্ধে পূৰ্বসুৰীসকলে কৰা অধ্যয়ন সম্পৰ্কে এটি চমু বিশ্লেষণ তলত আগবঢ়োৱা হৈছে।

---

৩। Hunter, W.W. ঃ *A statistical Account of Assam,vol-1,* page no-30

ক) W.W.Hunter য়ে 1879 চনত প্ৰকাশ কৰা 'A statistical account of Assam,vol-1' শীৰ্ষক গ্ৰন্থত শৰণীয়া-কছাৰীসকলৰ সংখ্যা ১১,৮১২ জন বুলি দেখুৱাইছে।" [৩]

খ) 'Report on the census of Assam to 1881' ত দিয়া তালিকাত শৰণীয়া-কছাৰীসকলৰ সংখ্যা ৪,৭১৮ জন বুলি দেখুৱাইছে।" [৪]

গ) 'Assam institute of Research for Tribal and Schedule cast, যিটো পূৰ্বতে Tribal Research Institute বুলি জনজাত আছিল, তেওঁলোকে ২০১৪ চনত শৰণীয়া-কছাৰী জনগোষ্ঠী সন্দৰ্ভত অসম চৰকাৰক দিয়া Status Report ত শৰণীয়া-কছাৰীৰ জনসংখ্যাৰ কথা উল্লেখ কৰিছিল। শৰণীয়া-কছাৰী উন্নয়ণ পৰিষদে চলোৱা জৰীপৰ যি তথ্য তাত সন্নিবিষ্ট কৰা হৈছিল, সেইমতে ২০১৪ চনত জনগোষ্ঠীটোৰ মূঠ জনসংখ্যা আছিল প্ৰায় পাঁচ লাখ। ইয়াৰে ২,৮৫,৭০৪ জন আৰু পুৰুষ আৰু ২,১৪,২১৬ গৰাকী মহিলা। " [৫]

ঘ) ১৯৬০-৬১ বৰ্ষৰ 'Statistical Abstruct of Assam' ত কাছাৰৰ বৰ্মন, বড়ো (বড়ো কছাৰী), দেউৰী, হোজাই, লালুং, মেচ, মিচিং (মিৰি), ৰাভা, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী আদিৰ লগতে শৰণীয়া-কছাৰীসকলকো অনুসূচীত জনজাতি (Schedule Tribes) বুলি কোৱা হৈছে।" [৬]

ঙ) ধীৰেন মহলীয়াৰ দ্বাৰা সম্পাদনা (সংকলক) কৰা 'শৰণীয়া কছাৰী জনগোষ্ঠীৰ ৰূপৰেখা' নামৰ গ্ৰন্থখনত শৰণীয়া সমাজৰ বিভিন্ন দিশক সামৰি লোৱা হৈছে। মূঠ চাৰিটা খণ্ডত বিভক্ত গ্ৰন্থখনৰ বিভিন্ন খণ্ডত শৰণীয়া-কছাৰীৰ চমু পৰিচয়, লোকজীৱন, সংস্কৃতি, ধৰ্ম, জাতীয় জীৱনলৈ অৱদান আদি বিভিন্ন বিষয় সামৰি লোৱা হৈছে।

চ) বাবু ৰাভা হাকাচামৰ দ্বাৰা ৰচিত 'শৰণীয়া-কছাৰী সংস্কৃতি আৰু লোক সাহিত্য' নামৰ গ্ৰন্থখনত শৰণীয়া-কছাৰী সমাজত চলা বিভিন্ন ধৰণৰ লোকাচাৰ, লোকবিশ্বাসৰ উপৰিও লোকগীত, লোকনৃত্যৰ বিষয়ে বিস্তৃত ব্যাখ্যা আছে।

ছ) ধনেশ্বৰ হুজুৰীৰ দ্বাৰা ৰচিত 'শৰণীয়া-কছাৰীৰ খাদ্য সংস্কৃতি আৰু নাৰী জীৱন গাথা' শীৰ্ষক গ্ৰন্থখনত শৰণীয়া-কছাৰীসকলৰ মাজত প্ৰচলিত বিভিন্ন ধৰণৰ পৰম্পৰাগত খাদ্য, খাদ্যৰ উপকাৰ, ৰন্ধন পদ্ধতি

---

৪। *Report on the Census of Assam to 1881 Chapter-6,* page no-63

৫। *Status Report on Saraniya Kachari of Assam - 2014,* page no- 4

৬। হোছেইন, ইছমাইল ঃ *শৰণীয়া কছাৰীৰ বঞ্চনাৰ ইতিহাস,* পৃ. ৫৩

আদিৰ উপৰিও শৰণীয়া সমাজত নাৰীৰ ভুমিকাৰ বিষয়ে বিশদ ব্যাখ্যা আছে।

জ) ইছমাইল হোছেইনৰ দ্বাৰা ৰচিত ‘তোমালোকৰ বাবে শৰণীয়া-কছাৰী সমাজ’ গ্ৰন্থখন শিশুক উদ্দেশ্য কৰি লিখিছে যদিও তাত ডাঙৰেও উপযুক্ত সমল পাব পাৰে। প্ৰধানত তিনিটা খণ্ড গ্ৰন্থখনত অন্তৰ্ভুক্ত হৈ আছে। সেইবোৰ হ’ল শৰণীয়া-কছাৰী জনগোষ্ঠীৰ ঐতিহ্য, সংস্কৃতি আৰু নিৰ্বাচিত গীত মাত।

ঝ) সোণবৰ বৰুৰাৰ দ্বাৰা ৰচিত ‘শৰণীয়া কছাৰীৰ বিবাহ পদ্ধতি’ গ্ৰন্থখনত বৰবিয়া আৰু সৰুবিয়াৰ সকলো ধৰণৰ লোকাচাৰ তথা গীত সন্নিবিষ্ট হৈছে।

ঞ) সোণবৰ বৰুৰাৰ দ্বাৰা ৰচিত ‘শৰণীয়া কছাৰীৰ কৃষ্টি সংস্কৃতি’ গ্ৰন্থখনো শৰণীয়া-কছাৰী সমাজৰ কাৰণে আপুৰুগীয়া সম্পদ। গ্ৰন্থখনত কৃষি সম্পৰ্কীয় লোকাচাৰ, ঋতু সম্পৰ্কীয় লোকাচাৰৰ উপৰিও লোকগীত তথা ধৰ্মীয় উৎসৱৰ বিতং বিশ্লেষণাত্মক ব্যাখ্যা আছে।

ট) শ্ৰী নলিনী ডেকাই ৰচনা কৰা ‘শৰণীয়া কছাৰী সমাজ আৰু সংস্কৃতি’ গ্ৰন্থখনত প্ৰধানত ৯ টা অধ্যায় আছে। শৰণীয়া জাতি গঠনৰ উৎপত্তি, শৰণীয়া ভাষা, সমাজ, সংস্কৃতি, শিল্প কৰ্ম, আহাৰ, সাজপাৰ, অলংকাৰ, খেল-ধেমালিৰ গীত আৰু শৰণীয়া-কছাৰী সমাজৰ ৰাজনৈতিক দৰ্শণ, অতীত বৰ্তমান - এইকেইটা অধ্যায় গ্ৰন্থখনত সামৰি লোৱা হৈছে।

ঠ) নৱ প্ৰজন্মৰ লেখক গৌৰীশংকৰ ডেকাই ৰচনা কৰা ‘শৰণীয়া কছাৰীৰ দেহাঙী ভাখাৰ শব্দ বাক্চা’ নামৰ গ্ৰন্থখনতো বহুতো নতুন তথ্য আছে। গ্ৰন্থখনত বিভিন্ন বিষয়ৰ শৰণীয়া কথিত শব্দ অৰ্থাৎ দেহাঙী শব্দৰ উল্লেখ আছে।

ড) সোণবৰ বৰুৱাদেৱৰ দ্বাৰা ৰচিত ‘বাম্বোলপিটা গীত’ গ্ৰন্থখনত বাম্বোল পিটিবলৈ যোৱাৰ সময়ত গোৱা বিভিন্ন ধৰণৰ বাম্বোলপিটা গীতৰ উল্লেখ আছে।

ঢ) ইয়াৰ উপৰিও বিভিন্ন ধৰণৰ আলোচনী, স্মৃতিগ্ৰন্থ আদিত শৰণীয়া-কছাৰী সম্পৰ্কে বিভিন্ন তথ্য আছে।

**০.৭ প্ৰমেয় ঃ**

প্ৰস্তাৱিত ‘শৰণীয়া-কছাৰীসকলৰ ভাষা আৰু সংস্কৃতি ঃ এটি অধ্যয়ন’ বিষয়ক গৱেষণা কৰ্মৰ জৰিয়তে নিম্ন লিখিত দিশসমূহ পোহৰলৈ আহিব বুলি ধাৰণা কৰা হৈছে।

ক) শৰণীয়া-কছাৰীসকল যে কছাৰী গোষ্ঠীৰে অন্তৰ্গত এটি ভাগ তাক প্ৰতীয়মান কৰিব।

খ) শৰণীয়া-কছাৰীসকলে ব্যৱহাৰ কৰা কথিত অসমীয়া ভাষাটোৰ এক সুকীয়া ৰূপ পোহৰলৈ আহিব।

গ) শৰণীয়া-কছাৰীসকলৰ সমাজ আৰু সংস্কৃতিৰ দিশত অনাচৰ্চিত বিষয়সমূহ পোহৰলৈ আহিব।